REGIONAL NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-10-2024
**Time :** 1205 hrs

*Assamese Midday Bulletin*

000000000

উচ্চতম ন্যায়ালয়ে আজি বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ হৈ থাকিব বুলি ৰায়দান কৰে। নাগৰিকত্ব আইনৰ ৬(ক) নম্বৰ দফা অনুসৰি এই ৰায় প্ৰদান কৰে। অসম সন্মিলিত মহাসংঘৰ আবেদনৰ ওপৰত ভিত্তি কৰি শুনানি গ্ৰহণ কৰিছিল। মুখ্য ন্যায়াধীশ, ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে আজি এই ৰায়দান কৰে। উল্লেখযোগ্য যে বিচাৰপীঠখনৰ চাৰিগৰাকী ন্যায়াধীশে ইয়াৰ সপক্ষে ৰায়দান কৰাৰ বিপৰীতে এগৰাকী ন্যায়াধীশে বিৰুদ্ধে মত পোষণ কৰিছিল। এই সন্দৰ্ভত নতুন দিল্লীৰ পৰা সাংবদিক সিদ্ধাৰ্থ ভট্টই এইদৰে কয়-

ভইচ কাষ্ট

000000000

আজি কাতি বিহু। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই কৃষিজীৱী ৰাইজে সেৱা জনাব। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালনৰ প্ৰস্তুতি চলিছে। কাতি বিহু উপলক্ষে তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰিব। ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে আজি কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ সম-জিলা আৰু মহকুমাসমূহত কাতি বিহু পালন কৰা হ'ব। ইয়াৰ লগতে বিভাগীয় আঁচনিসমূহৰ বিষয়ে সজাগতা বৃদ্ধিৰ উদ্দেশে সজাগতা সভাৰো আয়োজন কৰা হৈছে। তদুপৰি কৃষি বিভাগে তুলসী তলত বন্তি প্ৰজ্বলন আৰু শৰাই দিয়াৰ লগতে পথাৰত আকাশবন্তি প্ৰজ্বলনৰ কাৰ্যসূচীও গ্ৰহণ কৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। একেদৰে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও কাতি বিহু উপলক্ষে শস্যশ্যামলা পথাৰত কৃষকৰ সপোন উজলি উঠাৰ আশাৰে ৰাজ্যবাসীক ওলগ জনাইছে।

ৰাজ্যৰ আন বিভিন্ন স্থানৰ লগতে বৰপেটা জিলাতো আজি কাতি বিহুৰ আয়োজন কৰা হৈছে। একেদৰে মৰিগাঁও, দৰং, শিৱসাগৰ, গোলাঘাট, মাজুলী আদি জিলাতো কাতি বিহু পালন কৰিবলৈ লোৱা হৈছে বুলি আকাশবাণীৰ সংশ্লিষ্ট অঞ্চলৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

000000000

ৰাজ্যৰ ৫টা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে সমষ্টিকেইটাত বিজেপি, কংগ্ৰেছ, অগপ, এ আই ইউ ডি এফ, তৃণমূল কংগ্ৰেছ, বিপিএফ, ইউ পি পি এলকে ধৰি বিভিন্ন ৰাজনৈতিক দলসমূহৰ

তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা বিধানসভাৰ আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। সকলো ৰাজনৈতিক দলে নিজ নিজ দলৰ হৈ নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে।

উল্লেখযোগ্য যে ভাৰতৰ নিৰ্বাচন আয়োগে দেশৰ মুঠ ৪৮টা বিধানসভা সমষ্টি আৰু দুটা লোকসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। ইয়াৰে অসমকে ধৰি দেশৰ ভিন ভিন ৰাজ্যৰ ৪৭টা বিধানসভা সমষ্টি আৰু কেৰালাৰ ৱায়নাড বিধানসভা সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত আৰু উত্তৰাখণ্ডৰ এটা বিধানসভা সমষ্টি আৰু মহাৰাষ্ট্ৰৰ এটা সংসদীয় সমষ্টিৰ বাবে ২০ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম দিনৰ খেল কালি বৰষুণৰ বাবে বাতিল হোৱা পাছত আজি দ্বিতীয় দিনাৰ খেলত ভাৰতীয় দলটো বিপৰ্যয়ৰ সন্মুখীন হৈছে। বাংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি প্ৰথমে বেটিং কৰিবলৈ লৈ ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈ ৬টা উইকেট হেৰুৱাই মাত্ৰ ৩৪ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে।

শৃংখলাৰ দ্বিতীয়খন খেল অহা ২৪ৰ পৰা ২৮ অক্টোবৰলৈ পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। তৃতীয় তথা অন্তিমখন খেল অহা ১ৰ পৰা ৫ নৱেম্বৰলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব।

oooooooo

সমাপ্ত